# প্ৰেছ বিজ্ঞপ্তি

যোৱা ইং **১২/১২/২০১৫** তাৰিখে ওদালগুৰি মহাবিদ্যালয়ত অসম আৰক্ষী আইন ২০০৭ ৰ অধীনত গঠিত ৰাজ্যিক আৰক্ষী দায়বদ্ধতা আয়োগে, আৰক্ষীৰ দায়বদ্ধতা সম্পৰ্কে এখন সজাগতা সভা অনুষ্ঠিত কৰে । সভাত সভাপতিত্ব কৰে আয়োগৰ মাননীয় অধ্যক্ষ, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ শ্ৰী প্ৰণয় কুমাৰ মুছাহাৰীয়ে ।

সভাত ওদালগুৰি জিলাৰ প্ৰায় **৩০০** জন লোকে অংশগ্ৰহণ কৰে । ইয়াৰ ভিতৰত ওদালগুৰি জিলাৰ আৰক্ষীৰ উপৰিও, গণ্য-মান্য ব্যক্তি, বি টি চি ৰ এম চি এল এ, বেচৰকাৰী সংগঠনৰ বিষয়ববীয়া, ভি. চি. ডি. চি ৰ সভাপতি, থানা সমিতি সমূহৰ বিষয়ববীয়া, ছাত্ৰ সংগঠন সমূহৰ বিষয়ববীয়া মহিলা সমিতিৰ বিষয়ববীয়া, মহিলা সমাজকৰ্মী আদিয়েই প্ৰধান ।

ইয়াৰোপৰি উপস্থিত থকা বিশিষ্ট ব্যক্তি সকলৰ ভিতৰত আছিল আয়োগৰ মাননীয় অধ্যক্ষৰ উপৰিও মাননীয় সদস্য শ্ৰী শিৱব্ৰত কাকতি অৱসৰপ্ৰাপ্ত আই. পি. এছ, বি. টি. এ. ডি ৰ আৰক্ষী মহা পৰিদৰ্শক এল. আৰ. বিশ্বয়, ওদালগুৰি জিলাৰ উপায়ুক্ত শ্ৰী সাধনা হোজাই, আই. এ. এছ, অতিৰিক্ত জিলা আৰু চেছন ন্যায়াধীশ ৰৌচন লাল, ওদালগুৰি জিলাৰ আৰক্ষী অধীক্ষক ৰাকেশ ৰৌছন আই.পি.এছ, এম. চি. এল. এ ৰবাৰ্ট নাৰ্জাৰী, উকিল সন্থাৰ সভাপতি কেশৱ চন্দ্ৰ দত্ত আদিয়েই প্ৰধান ।

মুখ্য বক্তা হিচাপে

ৰাজ্যিক আৰক্ষী দায়বদ্ধতা আয়োগৰ সদস্য শ্ৰী শিৱব্ৰত কাকতিয়ে কয় যে আৰক্ষীৰ সমাজৰ প্ৰতি আইনগত দায়বদ্ধতা আছে । ইয়াৰ উলংঘন কৰিলে সমাজৰ যিকোনো লোকে আনকি আৰক্ষী বিভাগৰ লোকেও আয়োগৰ ওচৰত অভিযোগ দাখিল কৰিব পাৰে । আৰক্ষী আইন মতে

**আৰক্ষীৰ জিম্মাত মৃত্যু,**

**গুৰুতৰ আঘাত,**

**শ্লীলতা হানি, ধৰ্ষণ বা ধৰ্ষণৰ প্ৰচেষ্টা,**

**অবৈধভাৱে গ্ৰেপ্তাৰ বা আৱদ্ধ,**

**সম্পত্তিৰ আইনগত মালিকীস্বত্ব বা দখলাধিকাৰৰ পৰা বলপূৰ্ব্বক বঞ্চিত,**

**কুটিলবুদ্ধিৰ বলী অথবা বল পূৰ্ব্বক ধন দাবী,**

**এজাহাৰ পঞ্জীয়ন নকৰা, আদি আৰক্ষীৰ অসদাচৰণৰ অন্তৰ্ভুক্ত ।**

আয়োগে এনেধৰণৰ অসদাচৰণৰ অভিযোগ পালে তদন্তক্ৰমে বিচাৰ কৰি অভিযুক্ত আৰক্ষীৰ সম্পকৰ্ত ৰায়দান কৰে । অসম আৰক্ষী আইনৰ বিধি ব্যৱস্থা অনুযায়ী আৰক্ষীয়ে সমাজৰ